**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। ৩৩৮ কোটি টকা ব্যয় সাপেক্ষে ৪৬ টা বান আৰু খহনীয়া ব্যৱস্থাপনা প্ৰকল্পৰ প্ৰস্তাৱত ৰাজ্যিক মন্ত্ৰীসভাৰ অনুমোদন।

২। ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত চলিত মাহতে মন্ত্ৰীসভাৰ উপ-সমিতিৰ প্ৰতিবেদন দাখিল কৰা হ'ব বুলি শিক্ষামন্ত্ৰীৰ প্ৰকাশ।

৩। ফাকুৱাৰ সময়ত যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ দুখন বিশেষ ৰে'লগাড়ী চলাচলৰ সিদ্ধান্ত।

৪। গুৱাহাটীত আজি পূব আৰু উত্তৰ-পূব ক্ষেত্ৰৰ যুটীয়া আঞ্চলিক ৰাজভাষা সন্মিলন আৰু বঁটা বিতৰণী সমাৰোহৰ আয়োজন। ***আৰু***

৫। আই চি চি চেম্পিয়নছ ট্ৰফীৰ প্ৰথমখন ছেমিফাইনেলত অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ভাৰতৰ ফাইনেলত প্ৰৱেশ।

০০০০০০

ৰাজ্যৰ মন্ত্ৰীসভাই ৩৩৮ কোটি টকা ব্যয় সাপেক্ষে ৪৬টা বান আৰু খহনীয়া ব্যৱস্থাপনা প্ৰকল্পৰ প্ৰস্তাৱত অনুমোদন জনাইছে। মন্ত্ৰীসভাই বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলন এডভাণ্টেজ আছামৰ সময়ত স্বাক্ষৰিত বুজাবুজিৰ চুক্তি অনুসৰি তিনিচুকীয়াত মা কামাখ্যা ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় অসম আৰু ছিপাঝাৰত এডটেক দক্ষতা বিশ্ববিদ্যালয় অসম নামৰ দুখন নতুন বিশ্ববিদ্যালয় স্থাপনৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰিবলৈ সিদ্ধান্ত লয়। দিশপুৰত কালি বিয়লি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। ৰাজ্যখনক আকৰ্ষণীয় ঔদ্যোগিকস্থলী হিচাপে গঢ়ি তোলাৰ বাবে মন্ত্ৰীসভাই অসম বৈদ্যুতিন প্ৰণালী আৰ্হি আৰু নিৰ্মাণ নীতি ২০২৫, আৰু অসম ভেষজ আৰু চিকিৎসা সঁজুলি নীতি ২০২৫ ত অনুমোদন দিছে বুলি ড° শৰ্মাই জানিবলৈ দিয়ে। ৰাজ্যৰ অভিযান্ত্ৰিক পাঠ্যক্ৰম সম্পূৰ্ণ কৰা যুৱক-যুৱতীসকলক লোক নিৰ্মাণ বা জলসম্পদ বিভাগত ঠিকাৰ বাবে নিবিদা দাখিল কৰিব পৰাকৈ প্ৰয়োজনীয় চৰ্তাৱলী শিথিল কৰাৰ বাবেও মন্ত্ৰীসভাই সিদ্ধান্ত লয়।

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান-আই আই টিৰ পৰা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ সৰ্বভাৰতীয় সংগঠনৰ সহযোগত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ তত্বাৱধানত অসমত যুৱক-যুৱতীৰ দক্ষতা বিকাশৰ বাবে ১০ টা দক্ষতা কেন্দ্ৰ স্থাপন কৰা হ'ব। ৯০ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পৰ ১০ শতাংশ ৰাজ্য চৰকাৰে আৰু বাকী অংশ আই আই টিৰ

প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সংগঠনে বহন কৰিব। দক্ষতা বিকাশৰ পাঠ্যক্ৰম গ্ৰহণ কৰা যুৱক-যুৱতীসকলৰ কৰ্মসংস্থাপন দিয়াৰ ব্যৱস্থাও আই আই টিৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এই সংগঠনে গ্ৰহণ কৰিব।

এতিয়াৰ পৰা অসমত ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত স্পষ্টীকৰণ দিয়াটো বাধ্যতামূলক কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লয়। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে নতুনকৈ স্থাপিত বিশ্ববিদ্যালয়সমূহে ধৰ্মনিৰপেক্ষ নীতি গ্ৰহণ কৰিব লাগিব। এই প্ৰতিষ্ঠানসমূহ প্ৰত্যক্ষ বা পৰোক্ষভাৱে ধৰ্মান্তৰকৰণৰ বিষয়ৰ সৈতে জড়িত হ'ব নোৱাৰিব। যিকোনো চৰকাৰী ভৱন নিৰ্মাণৰ ক্ষেত্ৰত ন্যূনতম ৫ শতাংশ বাঁহৰ সামগ্ৰী ব্যৱহাৰ বাধ্যতামূলক কৰিবলৈকো মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে।

মন্ত্ৰীসভাই জাগিৰোডৰ টাটা অসম ছেমিকণ্ডাক্টৰ এণ্ড লজিষ্টিক পাৰ্ক, টাটা ও এছ্ এ টি চেণ্টাৰ সামৰি প্ৰস্তাৱিত নগৰখনক ৰতন টাটা ইলেকট্ৰনিক্স ছিটি নামেৰে নামকৰণৰ সিদ্ধান্ত লয়। মন্ত্ৰীসভাই লগতে এডভাণ্টেজ আছামৰ সফল আয়োজনৰ ক্ষেত্ৰত আগবঢ়োৱা সহায় সমৰ্থনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লয়।

oooooo

ৰাজ্যৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত চলিত মাহতে মন্ত্ৰীসভাৰ উপ-সমিতিৰ প্ৰতিবেদন দাখিল কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি বিধানসভাত প্ৰকাশ কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱৰ উত্তৰত জনজাতি পৰিক্ৰমা মন্ত্ৰী ডাঃ পেগুৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চলিত বাজেট অধিৱেশনৰ সামৰণিৰ পূৰ্বে সদনত প্ৰতিবেদন দাখিল কৰিব পৰাকৈ ইয়াক চূড়ান্ত কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। ইয়াৰ আগেয়ে বিৰোধী দলপতি শ্ৰী শইকীয়াই ৰাজ্য চৰকাৰক এই বিষয়টো কেন্দ্ৰৰ ওচৰত উত্থাপন কৰি অসমৰ স্বীকৃতিপ্ৰাপ্ত অনুসূচিত জনজাতিৰ লোকসকলে বৰ্তমানে লাভ কৰি থকা সা-সুবিধাসমূহত কোনো ধৰণে প্ৰভাৱ নেপেলোৱাকৈ মৰাণ, মটক, আহোম, চুতীয়া, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ লোকসকলক জনজাতিৰ মৰ্যাদা প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ আহ্বান জনাইছিল। ডাঃ পেগুৱে এই সন্দৰ্ভত কয়, যে জনজাতিৰ মৰ্যাদা বিচৰা ছটা সম্প্ৰদায়ৰ প্ৰতিনিধিকে ধৰি বিভিন্ন পক্ষৰ সৈতে আলোচনা সম্পূৰ্ণ হৈছে। এই সন্দৰ্ভত সহমতত উপনীত হোৱাৰ প্ৰচেষ্টা চলোৱা হয় বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

oooooo

উত্তৰ-পূৱ সীমান্ত ৰে'লৱেই ফাকুৱাৰ সময়ত যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি **নাৰেঙ্গী আৰু গোড়খপুৰ, কামাখ্যা আৰু আনন্দবিহাৰৰ** মাজত দুখন বিশেষ ৰে'লগাড়ী চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। ০৫৬৩৩ নম্বৰৰ বিশেষ ৰে'লগাড়ীখনে কাইলৈৰ পৰা ২৭ মাৰ্চলৈকে প্ৰতি বৃহস্পতিবাৰে মুঠ ৪ বাৰ নাৰেঙ্গীৰ পৰা গোড়খপুৰলৈ যাত্ৰা কৰিব।

০২৫২৫ নম্বৰৰ বিশেষ ৰে'লগাড়ীখনে ৭ মাৰ্চৰ পৰা ২৮ মাৰ্চলৈ প্ৰতি শুকুৰবাৰে মুঠ ৪ বাৰ কামাখ্যাৰ পৰা আনন্দবিহাৰলৈ যাত্ৰা কৰিব।

ইয়াৰ উপৰি উত্তৰ-পূৱ সীমান্ত ৰেলৱেই এই সময়ছোৱাত কাটিহাৰ আৰু অমৃতসৰৰ মাজতো প্ৰতি বৃহস্পতিবাৰে এখন বিশেষ ৰেলগাড়ী চলাচল কৰাব। এই ৰে'লগাড়ীকেইখনৰ যাত্ৰাৰ বিস্তাৰিত সূচী IRCTC-ৰ ৱেৱছাইটত পোৱা যাব বুলি উত্তৰ-পূৱ সীমান্ত ৰে'লৱেৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০

গৃহ মন্ত্ৰালয়ৰ ৰাজভাষা বিভাগৰ উদ্যোগত আজি গুৱাহাটীত পূব আৰু উত্তৰ-পূব ক্ষেত্ৰৰ যুটীয়া আঞ্চলিক ৰাজভাষা সন্মিলন আৰু বঁটা বিতৰণী সমাৰোহৰ আয়োজন কৰা হৈছে। ২০২৪-২৫ বৰ্ষৰ এয়া হৈছে তৃতীয়খন এনেধৰণৰ সন্মিলন। সন্মিলনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে গৃহ পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়, বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া আৰু সাংসদ বিজুলী কলিতা মেধি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত ৰাজভাষা বিভাগৰ সচিবকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশ ল'ব। সন্মিলনত বিভিন্ন চৰকাৰী কাৰ্যালয়, বেংক তথা অন্যান্য প্ৰতিষ্ঠানসমূহত চৰকাৰী ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত কৰা উল্লেখনীয় কামৰ বাবে ৪৮ গৰাকী লোকক বঁটা প্ৰদান কৰা হ'ব।

০০০০০০

অসম আৰক্ষীৰ ২০২টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ এটা সহকাৰী উপ নিয়ন্ত্ৰক পদৰ লিখিত পৰীক্ষাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। www.slprbassam.in ৱেবছাইটযোগে দিনৰ এঘাৰ বজাত ফলাফল উপলব্ধ হ'ব। অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে জাৰি কৰা এখন জাননী অনুসৰি প্ৰাৰ্থীসকলে সংশ্লিষ্ট ৱেবছাইটত আবেদনৰ নম্বৰ, নাম আৰু জন্মৰ তাৰিখ দাখিল কৰি ফলাফলসমূহ লাভ কৰিব। লগতে বিভিন্ন শাখাৰ উপ-পৰিদৰ্শক পদৰ লিখিত পৰীক্ষাত উত্তীৰ্ণসকলৰ বাবে ১৭ মাৰ্চৰ পৰা ২১ মাৰ্চলৈ কাহিলীপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ন চৌহদত পুৱা ৭ বজাৰ পৰা শাৰীৰিক মান আৰু যোগ্যতা পৰীক্ষা অনুষ্ঠিত হ'ব। লিখিত পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলে শাৰীৰিক মান আৰু যোগ্যতা পৰীক্ষাৰ বাবে ৯ মাৰ্চৰ পুৱা এঘাৰ বজাৰ পৰা সংশ্লিষ্ট ৱেবছাইটৰ পৰা প্ৰৱেশপত্ৰ ডাউনলোড কৰিব পাৰিব। এটাতকৈ অধিক পদত উত্তীৰ্ণ প্ৰাৰ্থীসকলে প্ৰৱেশপত্ৰ ডাউনলোড কৰাৰ পূৰ্বে কোনটো পদৰ বাবে অধিক আগ্ৰহী সেয়া উল্লেখ কৰিব লাগিব। যিকোনো কাৰিকৰী সহায়ৰ বাবে প্ৰাৰ্থীসকলে ৮১০৮০-১৪৯৪৭ নম্বৰত যোগাযোগ কৰিব পাৰিব।

০০০০০০

ধেমাজি জিলাৰ গেৰুকামুখত নিৰ্মীয়মান নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ ৯৬ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। ২০০০ মেগাৱাট শক্তিসম্পন্ন এই প্ৰকল্পটোৰ মুঠ ৮ টা টাৰ্বাইনৰ ভিতৰত ৪ টা টাৰ্বাইন সম্পূৰ্ণ হৈ উঠিছে আৰু অহা মাহৰ পৰা প্ৰকল্পটোৰ প্ৰতিটো গোটে ২৫০ মেগাৱাটকৈ বিদ্যুৎ শক্তি উৎপাদন কৰিব। ১১৬ মিটাৰ উচ্চতাৰ ৰিজাৰ্ভাৰটো ইতিমধ্যে ৫১ মিটাৰ পানীৰে পূৰ্ণ হৈছে আৰু ৪৫ মিটাৰ পানী পূৰ্ণ হ'লে টাৰ্বাইনসমূহ ঘূৰাব পৰা যাব বুলি নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ সূত্ৰই প্ৰকাশ কৰিছে। এন এইচ পি চি কৰ্তৃপক্ষৰ তথ্য অনুসৰি এই প্ৰকল্পৰ পৰা অসমে মুঠ ৫৩৩ মেগাৱাট শক্তি লাভ কৰিব যদিও ইয়াৰে ২৫ মেগাৱাট বিদ্যুৎ শক্তিহে বিনামূলীয়াকৈ লাভ কৰিব। অৰুণাচল প্ৰদেশে ২৭৪ মেগাৱাট শক্তি লাভ কৰিব আৰু ইয়াৰ ভিতৰত ২৪০ মেগাৱাট বিনামূলীয়াকৈ লাভ কৰিব।

০০০০০০

ৰাজ্যৰ শিপিনীসকলক ন্যূনতম সমৰ্থন মূল্যত বস্ত্ৰ বিক্ৰীৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা **স্বনিৰ্ভৰ নাৰী** আঁচনিৰ অধীনত বিগত বৰ্ষৰ দৰে এইবাৰো শিপিনী আৰু উদ্যোগীসকলৰ পৰা গামোচা ক্ৰয়ৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ইয়াৰ বাবে বিভিন্ন জিলাত ২৯টা ক্ৰয় কেন্দ্ৰ স্থাপন কৰা হৈছে। এই আঁচনিৰ অধীনত জিলা আৰু মহকুমা পৰ্যায়ত স্থাপন কৰা অস্থায়ী ক্ৰয় কেন্দ্ৰৰ জৰিয়তে শিপিনী তথা উদ্যোগীসকলে নিজৰ সামগ্ৰী বিক্ৰী কৰি বেংক একাউণ্টযোগে পোনপটীয়াকৈ ধন লাভ কৰিব পাৰে। তদুপৰি হস্ততাঁত খণ্ডৰ লগত জড়িত উদ্যোগীসকলৰ পঞ্জীয়ন, ক্ষেত্ৰভিত্তিক পৰীক্ষণ আৰু প্ৰমাণ পত্ৰ লাভৰ সুবিধা প্ৰদান কৰা হয়। এই আঁচনিৰ অধীনত বৰ্তমানলৈকে ৫ লাখ ৬৪ হাজাৰ ৮১১ গৰাকী শিপিনীয়ে নাম পঞ্জীয়ন কৰিছে। ইতিমধ্যে ১৯ কোটিৰো অধিক মূল্যৰ ৫ লাখ ৫৪ হাজাৰ ৮৯২ বিধ পৰম্পৰাগত বস্ত্ৰ সামগ্ৰী ক্ৰয় কৰি আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমৰ জৰিয়তে বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত বন ঘৰচীয়া ঘোঁৰাৰ সংখ্যা হ্ৰাস পোৱাৰ বিষয়টোক লৈ ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। এই সন্দৰ্ভত সেউজ ন্যায়াধীকৰণে ৰাজ্য চৰকাৰলৈ জাননী প্ৰেৰণ কৰি ৪ সপ্তাহৰ ভিতৰত চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে চোৰাং চিকাৰীৰ উপৰি খহনীয়াই ৰাষ্ট্ৰীয় উদ্যানখনৰ বন ঘৰচীয়া ঘোঁৰাকে ধৰি অন্যান্য জীৱকূলৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। বিগত সময়ছোৱাত ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা সৰবৰাহ কৰা কেইবাটাও বন ঘৰচীয়া ঘোঁৰা বন বিভাগে উদ্ধাৰ কৰিছিল।

০০০০০০

ভাৰতীয় চিকিৎসা সন্থাই ৰাজ্যৰ এগৰাকী বিশিষ্ট লেখক তথা চকুৰোগ বিশেষজ্ঞ ডঃ শুভ্ৰকিংকৰ গোস্বামীলৈ  চলিত বছৰৰ শ্ৰেষ্ঠ সাহিত্যিকৰ বঁটা আগবঢ়াইছে। অহা ৭ আৰু ৮ মাৰ্চত শিলচৰত হ'বলগীয়া সন্থাৰ দ্বিবাৰ্ষিক অধিৱেশনত ডাঃ গোস্বামীক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। শেহতীয়াকৈ প্ৰকাশিত উপন্যাস 'নীল নক্ষত্ৰৰ সুৰ'ৰ বাবে তেওঁলৈ এই বঁটা আগবঢ়োৱা হৈছে।

০০০০০০

মিচিং জনগোষ্ঠীৰ অন্যতম কৃষিভিত্তিক উৎসৱ পঃৰাগ বা নৰাছিগা বিহু আজি জনগোষ্ঠীটো বসতিপ্ৰধান বিভিন্ন অঞ্চলত উদযাপন কৰা হ'ব। ধেমাজি জিলাৰ জোনাইৰ অৰুণাচল সীমান্তৰ পুৰণা জেলমগাঁৱত আজিৰেপৰা তিনিদিনীয়াকৈ এই উৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। উল্লেখযোগ্য যে জনগোষ্ঠীটোৰ লোকসকলে পৰম্পৰা অনুসৰি সৃষ্টিকৰ্তা, মাতৃ, পৃথিৱী তথা পূৰ্বপুৰুষক তুষ্ট কৰাৰ বাবে এই উৎসৱ পালন কৰি আহিছে। ডেকা-গাভৰুসকলৰ নেতৃত্বত আয়োজন কৰা এই উৎসৱলৈ দূৰণিলৈ বিয়া হৈ যোৱা জীয়ৰী আৰু জোঁৱাইসকলকো নিমন্ত্ৰণ কৰি আদৰণি জনোৱা হয়।  সকলোকে সুস্বাদু খাদ্যৰে আপ্যায়ন কৰি ডেকা-গাভৰুসকলে নৃত্য গীতো পৰিৱেশন কৰে। গাঁওখনৰ পৰা অপায়-অমংগল দূৰ কৰাৰ বাবে পৰম্পৰাগত বিশ্বাসেৰে এই পঃৰাগ উৎসৱ বা নৰা ছিগা বিহু পালন কৰা হয়।

০০০০০০

অসম বিধানসভাৰ চলিত বাজেট অধিৱেশনত বিভিন্ন প্ৰতিবাদ আৰু হুলস্থূলীয়া পৰিৱেশৰ মাজতে বিভিন্ন সিদ্ধান্ত গ্ৰহণ, ৰাজ্যৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত চলিত মাহতে মন্ত্ৰীসভাৰ উপ-সমিতিৰ প্ৰতিবেদন দাখিল কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা, জলসিঞ্চন মন্ত্ৰী সিংহলৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত গুৰুত্ব পাইছে।

অসম বিধানসভাৰ বাজেট অধিৱেশনত কালি বিৰোধীয়ে সৃষ্টি কৰা উত্তপ্ত পৰিস্থিতিৰ বাবে সদনৰ কাম-কাজ কেইবাবাৰো স্থগিত হোৱাৰ লগতে কেইবাগৰাকীও বিধায়কক নিলম্বন কৰাৰ বাতৰিটো দৈনিক অসম, দৈনিক অগ্ৰদূত আদিৰ লগতে প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।

চাংসাৰীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছত নিযুক্তিৰ ক্ষেত্ৰত বিহাৰ আৰু উত্তৰ প্ৰদেশৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দি থলুৱা প্ৰাৰ্থীক বঞ্চিত কৰাৰ এটা গুৰুত্বপূৰ্ণ বাতৰিক অসমীয়া প্ৰতিদিন কাকতে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

গেৰুকামুখত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠাৰ পাছত অহা এপ্ৰিলৰ পৰা প্ৰকল্পটোত বিদ্যুৎ উৎপাদন আৰম্ভ হ'ব বুলি এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে।

জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পটোৰ ৰতন টাটাৰ নামেৰে নামকৰণ কৰিবলৈ ৰাজ্যিক মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিটো নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মণিপুৰৰ আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰই পৰ্যবেক্ষণ কৰি আছে আৰু ৰাজ্যখনৰ পৰিস্থিতি স্বাভাৱিক হ'বলৈ আৰু কিছু সময়ৰ প্ৰয়োজন হ'ব। এই বিষয়ক এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতখনে Manipur situation may take time to normalize শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বেতন সুৰক্ষা আৰু চাকৰি নিয়মীয়াকৰণৰ দাবীত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীৰ কৰ্ম বিৰতিৰ ফলত ৰোগীৰ মাজত হাহাকাৰ পৰিস্থিতি সৃষ্টি হোৱাৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে আমাৰ অসম কাকতখনেও সবিস্তাৰে প্ৰকাশ কৰিছে।

ৰাজ্যৰ লোকনিৰ্মাণ বিভাগে নিৰ্মাণ কৰা ভৱনসমূহত কমেও ৫ শতাংশ বাঁহৰ সামগ্ৰী নিৰ্মাণ কৰিব লাগিব বুলি অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰাৰ এটা বাতৰিক দা ছেণ্টিনেল কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহে ৰোগীক তেওঁলোকৰ ফাৰ্মাচীৰ পৰাই উচ্চ দৰত ঔষধপাতি আদি ক্ৰয় কৰাৰ বাবে হেঁচা দিয়া কাৰ্যৰ বিৰুদ্ধে নীতি ৰূপায়ণ কৰিবলৈ উচ্চতম ন্যায়ালয়ে ৰাজ্যসমূহলৈ নিৰ্দেশ জাৰি কৰাৰ এটা গুৰুত্বপূৰ্ণ বাতৰি দা টাইমছ অৱ ইণ্ডিয়া কাকতখনে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

oooooo

ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত কালি ভাৰতে অষ্ট্ৰেলিয়াক ৪ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে ২৬৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৮ অ'ভাৰ আৰু এটা বলত ছটা উইকেট হেৰুৱাই ২৬৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ বিৰাট কোহলিয়ে সৰ্বাধিক ৮৪ ৰান কৰে। শ্ৰেয়স আয়াৰে ৪৫ আৰু কে এল ৰাহুলে ৪২ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ নাথান এলিছ আৰু আদম জাম্পাই দুটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অ'ভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬৪ ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ হৈ অধিনায়ক ষ্টীভ স্মিথে সৰ্বাধিক ৭৩ ৰাণ কৰে। এলেক্স কেৰীয়ে ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ মহম্মদ শ্বামীয়ে তিনিটা, বৰুণ চক্ৰৱৰ্তী আৰু ৰবীন্দ্ৰ জাদেজাই দুটাকৈ উইকেট লাভ কৰে।

পাকিস্তানৰ লাহোৰত আজি হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে খেলোৱা হ'ব।

০০০০০০

বজালী জিলাৰ অন্তৰ্গত সৰুপেটাৰ অজাসন্তৰ গাঁৱত কালি বিদ্যুৎস্পৃষ্ট হৈ এজন লোকৰ মৃত্যু হয়। নিহত লোকজন সানিকুৰা গাঁৱৰ মনচেৰ আলী বুলি জানিব পৰা গৈছে। পুখুৰীৰ পানী সিঁচাৰ বাবে ব্যৱহৃত এটা মেচিনৰ বিদ্যুৎ পৰিবাহী তাঁৰ পানীত সংলগ্ন হৈ থকাৰ সময়ত মাছ ধৰিবলৈ পুখুৰীত নমা অৱস্থাত লোকজন বিদ্যুৎস্পৃষ্ট হৈ থিতাতে নিহত হয়।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দিনৰ ভাগত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম আৰু অৰুণাচলৰ ঠাই বিশেষ পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি কেন্দ্ৰটোৱে লগতে প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত